**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি মহাৰাষ্ট্ৰত ভাৰতৰ প্ৰথমটো সমবায়ভিত্তিক জৈৱ গেছ্ আৰু পটাছ্ গ্ৰেণুৰেল প্ৰকল্প মুকলি কৰে।

২। ৫ বছৰৰ বিৰতিৰ পাছত বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে কালি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ কৰে।

৩। মণিপুৰৰ জিৰিবাম জিলাত সুৰক্ষা বাহিনীয়ে যোৱা নিশা দুটা শক্তিশালী আই ই ডি নিষ্ক্ৰিয় কৰে।

৪। নতুন দিল্লীত অনুষ্ঠিত বিশ্ব পেৰা এথলেটিকছ্ চেম্পিয়নশ্বিপত ভাৰতে ৬টা সোণ, ১০টা ৰূপ আৰু ৬টা ব্ৰঞ্জসহ মুঠ ২২টা পদকেৰে নিজৰ অভিযান সামৰে। ***আৰু***

৫। কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ এদিনীয়া ক্ৰিকেট বিশ্বকাপৰ এখন খেলত কালি ভাৰতে পাকিস্তানক ৮৮ ৰানত পৰাস্ত কৰে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি ভাৰতৰ প্ৰথমটো সমবায়ভিত্তিক জৈৱ গেছ্ আৰু পটাছ্ গ্ৰেণুৰেল প্ৰকল্প মুকলি কৰে। ছাহাকৰ মহৰ্ষি শংকাৰো কোলহে নামৰ সমবায়ভিত্তিক এই প্ৰকল্পটো মহাৰাষ্ট্ৰৰ অহিল্যানগৰ জিলাত স্থাপন কৰা হৈছে। প্ৰকল্প মুকলি অনুষ্ঠানত অংশ লৈ শ্ৰীশ্বাহে কয়, যে জৈৱ গেছ্ আৰু পটাছ্ উৎপাদন আৰু বিপণনৰ ক্ষেত্ৰত এই প্ৰকল্পটো দেশৰ বাবে এটা অনুকৰণীয় আৰ্হি হৈ ৰ'ব। তেওঁ কয়, যে দেশত অতিশীঘ্ৰেই এনে ১৫টা সমবায় ভিত্তিক উদ্যোগ প্ৰতিষ্ঠা কৰা হ'ব আৰু এইক্ষেত্ৰত মহাৰাষ্ট্ৰই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। দেশত ইথানল প্ৰকল্প বৃদ্ধি কৰাৰ ক্ষেত্ৰতো এইধৰণৰ প্ৰকল্পসমূহে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব বুলিও শ্ৰীশ্বাহে প্ৰকাশ কৰিছে। তেওঁ লগতে কয়, যে এই প্ৰকল্পৰ সেউজ শক্তি আহৰণৰ পদক্ষেপে সমাজলৈ বিশেষ বৰঙণি আগবঢ়াব।

অনুষ্ঠানত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবীছ, উপ-মুখ্যমন্ত্ৰীদ্বয় একনাথ সিন্দে আৰু অজিত পাৱাৰ, কেন্দ্ৰীয় সমবায় ৰাজ্য মন্ত্ৰী মূৰলীধৰ মহল, মন্ত্ৰী ৰাধাকৃষ্ণ পাটিল আৰু গিৰিশ মহাজনকে আদি কৰি কেইবাগৰাকী জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

ooooo

৫ বছৰৰ বিৰতিৰ পাছত বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে কালি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে শপতগ্ৰহণ কৰে। ৰাজ্যৰ মুখ্য সচিব ৰবি কোটাৰ অনুমোদন মৰ্মে বিটিচিৰ সচিব অমৰেন্দ্ৰ ডেকাই তেওঁক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱায়। কোকৰাঝাৰৰ বড়োফা চহৰৰ বিটিচি সচিবালয় খেলপথাৰত আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত প্ৰাক্তন মন্ত্ৰী ৰিহন দৈমাৰীয়েও উপ-মুখ্য কাৰ্যবাহী সদস্য হিচাপে শপতগ্ৰহণ কৰে। অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডঃ

হিমন্ত বিশ্ব শৰ্মা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু, ইউ পি পি এলৰ নেতা তথা মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক লৰেন্স ইছলাৰীকে ধৰি কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সামাজিক মাধ্যমযোগে বিপিএফৰ মুৰববীগৰাকীক শুভেচ্ছা জনায়। এটা বাৰ্তাত তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰ তথা অসম চৰকাৰে বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ দৰ্শন বাস্তবায়িত কৰা আৰু সকলো ধৰণৰ বিকাশ সুনিশ্চিত কৰাৰ লক্ষ্যৰে বিটিচি চৰকাৰক সমৰ্থন আগবঢ়াই যাব।

০০০০০

মণিপুৰৰ জিৰিবাম জিলাত সুৰক্ষা বাহিনীয়ে যোৱা নিশা দুটা শক্তিশালী আই ই ডি নিষ্ক্ৰিয় কৰে। সুৰক্ষা বাহিনীৰ এগৰাকী বিষয়াই কয়, যে ৰাজ্যখনৰ উদ্বেগজনক পৰিস্থিতিৰ মাজত এই আই ই ডি উদ্ধাৰ তথা নিষ্ক্ৰিয় কৰাটো বিশেষভাৱে গুৰুত্বপূৰ্ণ। উল্লেখযোগ্য যে আছাম ৰাইফলছৰ এটা দলে যোৱা নিশা জিৰিবামৰ মাখাবস্তি এলেকাত অভিযান চলাই ১২ কিলোগ্ৰামকৈ ওজনৰ দুটা আই ই ডি, ৫০০ কিলোগ্ৰাম ওজনৰ তিনিটা বৈদুত্যিক শক্তিৰ উৎস আৰু ১২ মিটাৰ দৈৰ্ঘ্যৰ কৰ্ডেক্স জব্দ কৰে। ৰাজ্যখনত যোৱা ১৩ ফেব্ৰুৰাৰীৰ পৰা ৰাষ্ট্ৰপতি শাসন চলি থকাৰ পৰিপ্ৰেক্ষিতত নিৰাপত্তা সংস্থাসমূহে এই খণ্ডৰ শান্তি যাতে বিঘ্নিত নহয় তাৰ বাবে সদায় সতৰ্ক হৈ আহিছে।

০০০০০

মণিপুৰত কাইলৈ পাহাৰ-ভৈয়ামৰ সমন্বয়ৰ প্ৰতীকস্বৰূপ মেৰা হৌ চুংবা মহোৎসৱ অনুষ্ঠিত হ'ব। মণিপুৰৰ ৰাজ প্ৰসাদ চানা কুনুঙত অনুষ্ঠিত সংবাদমেলত এই মহোৎসৱৰ ৰাজ্যিক পৰ্যায়ৰ উদ্যোক্তা সমিতিৰ প্ৰতিনিধিয়ে জনোৱা অনুসৰি কাইলৈ ঐতিহাসিক কাংলাত মেৰা হৌ চুংবা মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱত মণিপুৰৰ ১৩৫ খন গাঁৱৰ গাঁওপ্ৰধানে অংশগ্ৰহণ কৰিব। গাঁওপ্ৰধানসকল আজি ইম্ফলত উপস্থিত হ'ব আৰু মণিপুৰৰ ৰজা তথা ৰাজ্যসভাৰ সাংসদ মহাৰাজ চানজাওবা লেইচেমবাই মণিপুৰৰ ৰাজপ্ৰাসাদত তেওঁলোকক আনুষ্ঠানিকভাৱে আদৰণি জনাব। কাইলৈ পুৱা মহাৰজা চানজাওবা লেইচেমবাই গাঁও প্ৰধানসকলৰ লগত এখন ধৰ্মীয় সভাত অংশ ল'ব। ইয়াৰ পাছতে গাঁওপ্ৰধানসকল আৰু ভৈয়ামৰ লোকসকলৰ মাজত প্ৰীতি উপহাৰ বিনিময় পৰ্ব অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ২২ ছেপ্তেম্বৰত ঘোষণা কৰা জি এছ্ টি সঞ্চয় উৎসৱে সমাজৰ সকলো শ্ৰেণীৰ লোকক উপকৃত কৰিছে। নতুন জি এছ্ টিৰ সংস্কাৰে অসমৰ বয়ন শিল্পী, কৃষক আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলক বৃহৎ সকাহ দিছে। সংশোধিত ৰেহাইৰ জৰিয়তে ৰাজ্যখনৰ কেতবোৰ আঞ্চলিক আৰু পাৰম্পৰিক সামগ্ৰীৰ কৰ হ্ৰাস হৈছে। পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰে বিশেষকৈ অসমৰ চাহ উদ্যোগক উপকৃত কৰিছে। এই খণ্ডত কেৱল ৫ শতাংশ জি এছ্ টি আৰোপ কৰা হৈছে। একেদৰে ১২ লাখৰো অধিক বয়ন শিল্পী জড়িত হৈ থকা অসমৰ হস্তশিল্প আৰু কাৰিকৰ খণ্ডত জি এছ্ টিৰ বোজা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। তদুপৰি বোকা চাউল আৰু তেজপুৰৰ লিচুৰ দৰে কৃষিজাত সামগ্ৰীত জি এছ্ টি হ্ৰাস কৰা হৈছে। পৰ্যটন খণ্ডত জি এছ্ টি সংস্কাৰ অৰ্থাৎ প্ৰতিনিশা ৭ হাজাৰ ৫০০ টকাৰ হোটেলৰ কোঠাৰ নিৰিখত জি এছ্ টি ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। ইয়াৰ ফলত অসমত পৰ্যটকৰ সংখ্যা বৃদ্ধি হোৱাত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ূষ গোৱেল আজি দুদিনীয়া ভ্ৰমণসূচীৰে কাটাৰৰ দোহালৈ যাব। এই ভ্ৰমণকালত শ্ৰীগোৱেলে ব্যৱসায় আৰু বাণিজ্য সন্দৰ্ভত কাটাৰ-ভাৰত যুটীয়া আয়োগৰ বৈঠকত দেশখনৰ বাণিজ্য মন্ত্ৰী শ্বেইখ ফেইজল বিন থানি ফেইজল অল থানিৰ সৈতে অধ্যক্ষতা কৰিব। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বাণিজ্য আৰু বিনিয়োগ খণ্ডত কাটাৰৰ সৈতে ভাৰতৰ সম্পৰ্কৰ দিশত এই ভ্ৰমণ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব। শ্ৰীগোৱেলে এই ভ্ৰমণৰ সুযোগতে কাটাৰ চেম্বাৰ আৰু কাটাৰী ব্যৱসায়ী সংস্থাৰ শীৰ্ষ প্ৰতিনিধি তথা ব্যৱসায়ীসকলৰ সৈতে বৈঠকত মিলিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে বিভিন মন্ত্ৰালয়ৰ কেইবাগৰাকী শীৰ্ষ বিষয়াইও দোহা ভ্ৰমণ কৰিব।

ooooo

চত্তিশগড়ৰ কাৱাৰ্ধা জিলাত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত ৫ লোকৰ মৃত্যু হোৱাৰ লগতে আন ৫ জন গুৰুতৰভাৱে আহত হয়। নিহতসকলৰ ভিতৰত ৩ গৰাকী বিদ্যালয়ৰ শিক্ষয়িত্ৰী, এগৰাকী নাবালিকা আৰু বাহনখনৰ চালকজন আছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে ৩০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ চিল্ফী উপত্যকাৰ আকালঘৰীয়াত এখন তীব্ৰবেগী ট্ৰাকে এখন বাহনত খুন্দিওৱাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। চালকজনৰ বাহিৰে বাহনখনত থকা আটাইকেইগৰাকী যাত্ৰী কলকতাৰ নিবাসী আছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

ooooo

নতুন দিল্লীত অনুষ্ঠিত বিশ্ব পেৰা এথলেটিকছ চেম্পিয়নশ্বিপত ভাৰতে ৬টা সোণ, ১০টা ৰূপ আৰু ৬টা ব্ৰঞ্জসহ মুঠ ২২টা পদকেৰে নিজৰ অভিযান সামৰে। জৱাহৰলাল ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত কালি ভাৰতৰ ৭ গৰাকী খেলুৱৈ প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। ২০০ মিটাৰ টি-টুৱেলভত সীমৰণ শৰ্মাই ৰূপৰ পদক আৰু ১০০ মিটাৰ টি-থাৰ্টি ফাইভত প্ৰীতি পলে ৰূপৰ পদক জয় কৰে। পেৰালিম্পিকৰ চেম্পিয়ন নৱদীপে জেভলিন থ্ৰ'ত ৰূপৰ পদক কৰাৰ বিপৰীতে ২০০ মিটাৰ টি-ফৰটি ফৰত সন্দীপে ব্ৰঞ্জৰ পদক লাভ কৰে।

ooooo

কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ এদিনীয়া ক্ৰিকেট বিশ্বকাপৰ এখন খেলত কালি ভাৰতে পাকিস্তানক ৮৮ ৰানত পৰাস্ত কৰে। ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ২৪৭ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পাকিস্তানে ৩৩ অভাৰতে আটাইকেইটা হেৰুৱাই কেৱল ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ হৰলীন দেউলে সৰ্বাধিক ৪৬ আৰু ৰিছা ঘোষে ৩৫ ৰান কৰে। পাকিস্তানৰ ডায়েনা বেগে ৪টা উইকেট দখল কৰে। ইপিনে পাকিস্তানৰ ছিদ্ৰা আমিনে ৮১ আৰু নাটালিয়া পাৰভেজে ৩৩ ৰানৰ বৰঙণি আগবঢ়াই যদিও দলটোৰ আন আন খেলুৱৈসকল উন্নত প্ৰদৰ্শন কৰাত ব্যৰ্থ হয়। ভাৰতৰ হৈ ক্ৰান্তি গৌৰ আৰু দিপ্তী শৰ্মাই ৩টাকৈ উইকেট দখল কৰাৰ বিপৰীতে স্নেহ ৰাণাই দুটা উইকেট লাভ কৰে।

ভাৰত অহা বৃহস্পতিবাৰে বিশাখাপট্টনমত হ'বলগীয়া আন এখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

গুৱাহাটীৰ আমিনগাঁৱত আজিৰ পৰা বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ অনুষ্ঠিত হ'ব। ১৭ বছৰৰ পাছত দেশত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত চীন, জাপান, ছিংগাপুৰ, ফিলিপিন্স,

ইণ্ডোনেছিয়া, মালয়েছিয়া, ফ্ৰান্স, নেডাৰলেণ্ডছ, অষ্ট্ৰেলিয়া, কানাডা আৰু ডেনমাৰ্ককে ধৰি ৪৩ খন দেশৰ ৪৫২ গৰাকী খেলুৱৈয়ে অংশ ল'ব। প্ৰতিযোগিতাৰ বাবে ইতিমধ্যে ৯ খন বেডমিণ্টন ক'ৰ্ট সাজু কৰি তোলা হৈছে। ভাৰত আজি প্ৰতিযোগিতাৰ প্ৰথমখন খেলত নেপালৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অহা ১৯ ছেপ্তেম্বৰত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ ইতিহাসত ভাৰতে এতিয়ালৈকে ১১টা পদক লাভ কৰিছে। ২০০৮ চনত পুনেত অনুষ্ঠিত জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত এটা সোণ আৰু এটা ব্ৰঞ্জৰ পদক জয়েৰে ভাৰতীয় খেলুৱৈসকলে উৎকৃষ্ট কৰিছিল।

০০০০০

সমাপ্ত